ৰ বাণী

য়তা যদি আনে
বিচাৰা, তেন্তে
গাপনীয়তা ৰক্ষা
া প্ৰয়োজন।

— ছেনেকা


# অসম আদিত্য

সংখ্যা ২২২ ■ ৩১ শাওণ, ১৯৪৮ শক ■ সোমবাৰ, ১৭ আগষ্ট, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, August 17, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


### কানৈ মহাবিদ্যালয়ত স্বাধীনতা দিৱসত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# সাহিত্যৰ পোহৰ নথকা সমাজ এখন অন্ধকাৰ গুহাৰ দৰে



ষ্টাফ ৰিপৰ্টাৰ, ১৬ আগষ্ট ঃ 'সাহিত্যৰ পোহৰ নথকা সমাজ এখন অন্ধকাৰ গুহাৰ দৰে। কবি-সাহিত্যিকসকল হ'ল জাতিৰ বিবেক, সাংবাদিকসকল হ'ল গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ আৰু নিৰ্ভীক চকু, যিয়ে সত্যক পোহৰলৈ আনি ৰাষ্ট্ৰৰ গতিপথ নিৰ্ধাৰণ কৰে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই মহাবিদ্যালয় প্ৰাংগণত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰি মনোনীত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শিল্পী, সাংবাদিক, সাহিত্যিকক সম্বৰ্ধনা জ্ঞাপনেৰে ১৫ আগষ্টৰ পুৱা এইদৰে কয়। অধ্যক্ষ ড০ শইকীয়াই কয়— কবি-সাহিত্যিক, সাংবাদিকসকলৰ সৃষ্টিশীলতা আৰু সাহসেই এখন ৰাষ্ট্ৰক, অসমৰ দৰে ৰাজ্যক জীৱন্ত আৰু সংবেদনশীল কৰি তুলিব পাৰে। অধ্যক্ষগৰাকীয়ে কয়— এখন উচ্চ শিক্ষানুষ্ঠান এজোপা প্ৰকাণ্ড বটবৃক্ষৰ দৰে। অধ্যক্ষ বা অধ্যাপক-অধ্যাপিকাসকলে তাত ক্ষন্তেকৰ বাবে ছাঁ লৈ, মূল শিপাত সাৰ-পানী যোগায়। কিন্তু বটবৃক্ষজোপাৰ মূল হ'ল ইয়াৰ ঐতিহ্য আৰু তাৰ ডাল-পাতবোৰ হ'ল মহাবিদ্যালয়ত অধ্যয়নৰত শিক্ষাৰ্থীসকল, যিসকলে এদিন সমগ্ৰ বিশ্বতে নিজৰ মেধা আৰু মূল্যবোধৰ সুবাস বিলায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অধ্যক্ষগৰাকীয়ে কয়— বৰ্তমান নৱপ্ৰজন্মই আমাৰ দেশ ভাৰতবৰ্ষ আৰু অসমৰ ভৱিষ্যত; প্ৰত্যেকে দেশৰ কাৰণে, কাম কৰিব লাগিব, তেহে ভাৰতবৰ্ষই বিশ্বগুৰু হ'ব পাৰিব। দেশ সেৱাই মানৱ সেৱা বুলি উল্লেখ কৰি তেওঁ কয়— আগন্তুক দিনত নৱপ্ৰজন্মই আধুনিক প্ৰযুক্তি, এ আই আৰু বিজ্ঞানৰ জয়যাত্ৰাত অংশ লৈ সমগ্ৰ বিশ্ব জয় কৰিব লাগিব, কিন্তু চাব লাগিব, প্ৰযুক্তিৰ ধামখুমিয়াত বিলীন হৈ নৱপ্ৰজন্মই যাতে কোনো কাৰণতে নিজৰ শিপাডালক, নিজৰ মাতৃভাষাক আৰু আই অসমীক পাহৰি নাযায়। জ্ঞান অবিহনে স্বাধীনতা অসম্পূৰ্ণ আৰু চৰিত্ৰ অবিহনে জ্ঞান অসাৰ বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— ছাত্ৰ-ছাত্ৰীসকলে যেন সমাজৰ একো একোজন দায়িত্বশীল নাগৰিক হিচাপে নিজকে গঢ়ি তোলে আৰু ভৱিষ্যতে এজন সফল নাগৰিক হোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হয়। পুৱা ৫ বজাতে মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাবৰ সদস্যসকলৰ দ্বাৰা চৌহদ নিকাকৰণ কাৰ্যসূচীৰে শুভাৰম্ভ হোৱা স্বাধীনতা দিৱসৰ এই পবিত্ৰ কাৰ্যসূচীত মহাবিদ্যালয়ত বিগত পছিশ বছৰে সেৱা আগবঢ়াই অহা অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীক অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সম্বৰ্ধনা জ্ঞাপন কৰে। উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলীৰ হৈ তেওঁৰ সহধৰ্মিণী অধ্যাপিকা ড০ মধুমিতা পুৰকায়স্থই সম্বৰ্ধনা গ্ৰহণ কৰে আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে মহাবিদ্যালয়ৰ এন চি চিৰ দলটিয়ে মহাবিদ্যালয়খনক জিলিকাবলৈ সক্ষম হোৱাৰ বাবে মহাবিদ্যালয়ৰ এন চি চিৰ এ এন অ' অধ্যাপক ড০ পৰাগজ্যোতি চুতীয়াক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে কৰ্মচাৰী ক্ৰমে— ভুৱনজ্যোতি বৰুৱা, প্ৰতাপ সেনাপতি আৰু চতুৰ্থ বৰ্গ কৰ্মচাৰী জিন্তু গগৈকো অধ্যক্ষগৰাকীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ মৰমী তালুকদাৰে আঁত ধৰা স্বাধীনতা দিৱসৰ পবিত্ৰ অনুষ্ঠানতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ নিজৰ অৱদান আগবঢ়াই নিস্বাৰ্থভাৱে কাম কৰি যোৱাৰ বাবে কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰতিদিন টাইমৰ সাংবাদিক দেৱজিত চুতীয়া, আসাম লাইভ ২৪-ৰ সাংবাদিক খগেন দত্ত, সাংবাদিক বিশাল পাণ্ডে, আইনুল আহমেদ, নিকুমণি নাথ, শিল্পীশিখা দাস আৰু শিক্ষক মানসজ্যোতি হাজৰিকাক মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা অধ্যক্ষগৰাকীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, স্বাধীনতা দিৱসৰ জাতীয় পতাকা ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ প্ৰাংগণত উত্তোলন কৰে ছাত্ৰাৱাসৰ অধীক্ষক অধ্যাপক ড০ বিৰাজ দত্তই আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰীনিৱাসৰ প্ৰাংগণত উত্তোলন কৰে অধীক্ষিকা অধ্যাপিকা কবিশ্মা জে কে বৈষ্ণৱীয়ে। স্বাধীনতা দিৱসৰ এই কাৰ্যসূচীত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে, কাৰ্যসূচীৰ লগত সংগতি ৰাখি সন্ধ্যা ৬ বজাত মহাবিদ্যালয় চৌহদত এক বন্তিপ্ৰজ্বলন কাৰ্যসূচীও অনুষ্ঠিত হয়।